জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৭২/২০২২**

**ৰাজ্যখনৰ পুৰোহিত আৰু নামঘৰীয়ালৈ এককালীন আৰ্থিক সাহায্য প্ৰদান মুখ্যমন্ত্ৰীৰ**

# মন্দিৰ আৰু নামঘৰ আমাৰ সংস্কৃতিৰো পৰিচয় ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২০ ডিচেম্বৰ** ঃ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি জনতা ভৱনৰ সভাকক্ষত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ ৬১২৪গৰাকী নামঘৰীয়া আৰু ২৪৩৮গৰাকী পুৰোহিতলৈ ১০ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য আগবঢ়ায়। উল্লেখ্য যে ক'ভিড-১৯ৰ প্ৰাদুৰ্ভাৱৰ ফলত আৰ্থিক সংকটৰ সন্মুখীন হোৱা পুৰোহিত আৰু নামঘৰীয়াসকলৰ আৰ্থিক সকাহ দিয়াৰ বাবে অসম চৰকাৰে বিশেষ অনুদান প্ৰদানৰ এই ব্যৱস্থা গ্ৰহণ কৰিছে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা বছৰ ক'ভিডৰ সময়ত বিধবা হোৱা মহিলা, গাড়ীচালক, হেণ্ডিমেন, মাউৰা বা ঘাটমাউৰা হোৱা শিশু আদিক ৰাজ্য চৰকাৰে যি আৰ্থিক সাহায্য প্ৰদান কৰিছিল তাৰ জৰিয়তে বহু ব্যক্তি উপকৃত হৈছিল। আজিৰ এই অনুষ্ঠানৰ জৰিয়তে পূৰ্বে ঘোষণা কৰা অনুযায়ী পুৰোহিত আৰু নামঘৰীয়াসকলৰ একাউণ্টত বেংক ট্ৰেন্সফাৰৰ জৰিয়তে আৰ্থিক অনুদান প্ৰদান কৰা হৈছে বুলি তেওঁ কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নাম আৰু কীৰ্ত্তন অসমীয়া সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। গণতান্ত্ৰিক সামাজিক প্ৰতিষ্ঠান নামঘৰতে অসমৰ জাতি-জনগোষ্ঠীৰ সামাজিক একত্ৰিকৰণ আৰম্ভ হৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নামঘৰ আৰু মন্দিৰসমূহে অসমীয়া সংস্কৃতি আৰু স্থাপত্যক বিশেষভাৱে দাঙি ধৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসমৰ আধ্যাত্মিক জীৱনধাৰা শক্তিশালীকৰণৰ দিশত পুৰোহিত আৰু নামঘৰীয়াসকলে যি বৰঙণি যোগাই আহিছে তাৰ জৰিয়তে সনাতন ধৰ্মই এক বিশেষ মাত্ৰা লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ কয় যে ধৰ্ম বুলি ক'লে সকলো সমান। কিন্তু কোনো ধৰ্মই যদি আমাৰ সংস্কৃতিকো প্ৰতিনিধিত্ব কৰে, তেতিয়াহ'লে তাৰ সংজ্ঞা নিশ্চিতভাৱে বেলেগ হ'ব। এয়া হ'ল এটা ধৰ্ম নিৰপেক্ষ সংজ্ঞা। মন্দিৰ আৰু নামঘৰে আমাক আধ্যাত্মিকভাৱে প্ৰশান্তি প্ৰদান কৰে যদিও ই আমাৰ সংস্কৃতিৰো পৰিচয়। মন্দিৰত পূজা বা উপাসনাৰ ধৰ্মীয় পৰম্পৰা জড়িত হৈ আছে যদিও ইয়াৰ সৈতে বহুতো আনুসংগিক ব্যৱস্থা আছে, যি আমাৰ সংস্কৃতি। যেনেকৈ দুৰ্গা পূজাত আমি পূজা কৰো, কিন্তু পূজাৰ লগত যি ওজাপালি হয়, সি আমাৰ সংস্কৃতি। পূজাৰ লগত গায়ন-বায়ন, আৰতি কৰা পৰম্পৰা হ'ল সংস্কৃতি। তেওঁ কয় যে আমাৰ পুৰণি মন্দিৰসমূহ স্থাপত্যৰ উৎকৃষ্ট নিদৰ্শন। কামাখ্যা মন্দিৰ, শিৱদৌলে সেই সময়ত অসমৰ স্থাপত্যকলাক প্ৰতিনিধিত্ব কৰে। শোণিতপুৰৰ মহাভৈৰৱ মন্দিৰে প্ৰাগঐতিহাসিক কালত আমাৰ স্থাপত্য কলা তথা সংস্কৃতি কিধৰণে আছিল সেয়া প্ৰতিফলিত কৰে। আবহমান কালৰ পৰা আমাৰ যি সংস্কৃতি তাকো পুৰোহিতসকলে জীয়াই ৰাখিছে। তেওঁ কয় যে বিবাহ প্ৰথাৰ সৈতে যেনেদৰে

ধৰ্মীয় ৰীতি-নীতি জড়িত হৈ থাকে, তেনেদৰে বিয়ানামত আমাৰ সংস্কৃতিৰ প্ৰৱাহমান ধাৰাটো জড়িত হৈ থাকে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে অসম দৰ্শন আঁচনিৰ জৰিয়তে পুৰণি মন্দিৰসমূহ সংৰক্ষিত কৰাৰ বাবে যি ব্যাপক প্ৰচেষ্টা হাতত লৈছে তাৰ জৰিয়তে নামঘৰ, মন্দিৰসমূহ আজি ঠন ধৰি উঠিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অহা বৰ্ষৰ ১ জানুৱাৰীত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা যশস্বী শিল্পী তথা পদ্মশ্ৰী প্ৰয়াত প্ৰতিমা পাণ্ডে বৰুৱাৰ বাসভৱনটি এটি সংগ্ৰহালয় হিচাপে স্থাপন কৰাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰা হৈছে।

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সচিব লয়া মাদ্দুৰীয়ে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়াইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী যোগেন মহন, বিধায়ক পৰমানন্দ ৰাজবংশী, বিদ্যাসিং ইংলেং আদিকে ধৰি কেইবাগৰাকী বিধায়ক প্ৰমুখ্যে ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াবৰ্গ আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**হেঃশঃ**
**২০/১২/২০২২**